بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১৭ জানুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ বিষয়ে যোৱা কেই খোতবাত আলোচনা কৰা হৈছে যদিও আজিও তেখেত (ৰাঃ)ৰ বিষয়ে থকা অন্তিম পৰ্বৰ উল্লেখ কৰা হব। আঁহজৰত (ছাঃ)ৰ দেহাবসানৰ পিছত আনছাৰ সকলে নিজৰ ফালৰ পৰা যিজনক খলিফা পদত অধিষ্ঠিত কৰিব বিচাৰিছিল, সেইজন ব্যাক্তিয়ে আছিল হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)। এইজন ব্যাক্তি সম্প্ৰদায়ৰ চৰদাৰও আছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ক খলিফা হিচাপে নিৰ্বাচিত কৰা হৈছিল তেতিয়া এখেত (ৰাঃ)য়ে কপি উঠিছিল। এই বিষয়ে হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে এটা বিতং ব্যাখ্যা আগবঢ়াই থৈ গৈছে আৰু খিলাফতৰ মৰ্যাদা আৰু গুৰুত্ব সম্পৰ্কে গভীৰ তত্ত্ব বৰ্ণনা কৰিছে। গতিকে মই সেই বিশ্লষণ খিনি বৰ প্ৰয়োজনীয় বুলি ভাৱো। এই আলোচনাত এক দীঘলীয়া সময়ৰ প্ৰয়োজন আছে। গতিকে মই আগতে এটা ঐতিহাসিক টোকাৰ বিষয়ে উল্লেখ কৰিম।

মচনদ আহমদ বিন হাম্বলৰ এটা হাদীছ আছে যত হামিদ বিন আব্দুৰ ৰহমানে কৈছে যে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ সময়ত হজৰত আবু বক্কৰ (ৰাঃ) মদিনা মনোৱাৰাৰ নৰাহত আছিল। মদিনালৈ আহি এখেত (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ লগত ছকিফা বণু ছাআদলৈ যাত্ৰা কৰিছিল। তাত গৈ হজৰত আবু বক্কৰ (ৰাঃ)যে এটা আলোচনাত লিপ্ত হৈছিল। তাত এখেত (ৰাঃ)য়ে কোৰ-আন আৰু হাদীছৰ পৰা আনছাৰ সকলৰ ফজিলত সম্পৰ্কে উল্লেখ কৰিছিল। ইয়াৰ পিছত হজৰত ছঈদ (ৰাঃ)ক আঙুলিয়াই কৈছিল হে ছঈদ ! তোমাৰ মনত আছেনে, তুমি যে বহি আছিলা, তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল কুৰাইছ সকলে খিলাফতৰ উত্তৰাধিকাৰী হব। হজৰত ছঈদ (ৰাঃ)য়ে কৈছিল যে হয় ! আপুনি সচাঁ কৈছে ! আমি উজিৰ আৰু আপোনালোক উমৰা !

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে তবকাতুল কুবৰাত লিখা আছে যে নবী কৰিম (ছাঃ)ৰ মৃত্যুৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)লৈ খবৰ পঠোৱাইছিল যে, তেখেতে আহি বয়াত গ্ৰহন কৰিব লাগে। কাৰণ লোক সকলে ইতিমধ্যে বয়াত কৰি লৈছে আৰু তেখেতৰ সম্প্ৰদায়েও বয়াত কৰিছে। উক্ত খবৰ পাই হজৰত ছঈদ (ৰাঃ)য়ে কৈছিল যে - আল্লাহৰ কছম ! মই সেই সময়লৈকে বয়াত নকৰো, যেতিয়ালৈকে মই মোৰ তীৰদানিত থকা তীৰ লোকলৈ মাৰি শেষ নকৰো। অৰ্থ্যাৎ বয়াত কৰিবলৈ অস্বীকাৰ কৰিছিল।হজৰত আবু বক্কৰ (ৰাঃ)য়ে যেতিয়া এই খবৰ শুনিবলৈ পাইছিল তেতিয়া বশিৰ বিন ছাআদে কৈছিল - হে ৰছুলুল্লাহ (ছাঃ)ৰ খলিফা তেওঁ আপোনাৰ বয়াত কৰিবলৈ অস্বীকাৰ কৰিছে। তাক হত্যা কৰি পেলালেও তেওঁ আপোনাৰ বয়াত কৰোঁতা নহয়। আপুনি তেওঁলৈ আগবাঢ়ি নাযাব। তেওঁ আপোনাৰ ক্ষতি সাধন কৰিব পাৰে। তেওঁৰ সম্প্ৰদায়ৰ অধিকাংশ লোকেই বয়াত কৰিছে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত বশিৰ বিন ছাআদৰ পৰামৰ্শ গ্ৰহন কৰি হজৰত ছঈদক তেনেয়ে এৰি দিছিল। আকৌ যেতিয়া হজৰত উমৰ (ৰাঃ) খলিফা পদত অধিষ্ঠিত হৈছিল তেতিয়া এদিন মদিনাৰ বাটত হজৰত ছঈদক লগ পাইছিল। সেই সন্ধিক্ষণত হজৰত উমৰ (ৰাঃ)য়ে হজৰত ছঈদক সুধিছিল- যে তুমি তেনেকুৱাই যে তুমি আছা নেকি যেনেকৈ আগতে আছিলা ? ছঈদ (ৰাঃ)য়ে উত্তৰ দিছিল হয় ! মই তেনেকুৱাই আছো। হজৰত ছঈদ (ৰাঃ)য়ে আৰু কৈছিল যে খোদাৰ কছম ! আপোনাৰ লগৰীয়া অৰ্থ্যাৎ হজৰত আবু বক্কৰ (ৰাঃ) আপোনাৰ তুলনাত মোৰ বেছি প্ৰিয় আছিল। ইয়াৰ পিছত হজৰত ছঈদ বিন আবাদাহ (ৰাঃ) স্বাম দেশলৈ হিজৰত কৰিছিল। হজৰত ছঈদ (ৰাঃ)ৰ বিষয়ে উল্লেখ পোৱা যায় যে তেখেতে পিছত হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিছিল। গতিকে তিবৰি ইতিহাসত লিখা আছে যে “ওয়াত্তাবিউল কাউমু আলাল বায়ইয়াতুন ওয়া বায়াছ ছঈদু” অৰ্থ্যাৎ গোটেই সম্প্ৰদায় এজন এজনকৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিছিল আৰু হজৰত ছঈদ (ৰাঃ)য়েও বয়াত কৰিছিল। গতিকে তিবৰি ইতিহাসত লিখা আছে যে “ওয়াত্তাবিউল কাউমু আলাল বায়ইয়াতুন ওয়া বায়াচ ছঈদু” অৰ্থ্যাৎ গোটেই সম্প্ৰদায় এজন এজনকৈ হজৰত

আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিছিল আৰু হজৰত ছঈদ (ৰাঃ)য়েও বয়াত কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে য়ে কৈছে যে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত চাহাবা সকলৰ মাজত খিলাফত সম্পৰ্কে মতানৈক্য ঘটিছিল। আনছাৰ সকলৰ ধাৰণা আছিল যে খিলাফতৰ অধিকাৰ হল আমাৰ। বণু হাশিম কবিলায় ধাৰণা পুহিছিল যে খিলাফত হল আমাৰ হক মুহাজেৰিণ সকলে বিচাৰিছিল যে কুৰাইছ সকলৰ ফালৰ পৰা খলিফা হোৱা উচিত। কিন্তু তেওঁলোকে কোনো ব্যাক্তিক আগবঢ়াই দিয়া নাছিল বৰং সিদ্ধান্ত নিৰ্বাচনৰ ওপৰত এৰি দিব বিচাৰিছিল। যেতিয়া এওঁলোকে এই ধাৰণা ব্যাক্ত কৰিছিল তেতিয়া আনছাৰ আৰু বণু হাশিমৰ লোক সকলে এওঁলোকৰ লগত একমত হৈছিল। কিন্তু একমাত্ৰ এজন চাহাবী এই বিষয়ে সন্মত হোৱা নাছিল। এইজনেই আছিল সেই আনছাৰী চাহাবী যিজনক আনছাৰ সকলে নিজৰ মাজৰ পৰা খলিফা বনাব বিচাৰিছিল। তেখেত (ৰাঃ)য়ে কৈছিল যে মই হজৰত আবু বক্কৰৰ বয়াত কৰিবলৈ সাজু নহয়। হজৰত উমৰ (ৰাঃ)ৰ এই বিষয়ে এফাঁকি বাক্যৰ উল্লেখ আছে যে তেখেত (ৰাঃ)য়ে কৈছিল “উকতুলুছ্ছঈদু” অৰ্থ্যাৎ ছঈদক হত্যা কৰা। কিন্তু ছঈদক তেখেতে হত্যা কৰিছিল নে অইন কোনোৱাই হত্যা কৰিছিল। কিছুমান ভাষাবিদে লিখিছে যে হজৰত উমৰ (ৰাঃ)ৰ এই কথাৰ অৰ্থ কেৱল এয়াই আছিল যে হজৰত ছঈদ (ৰাঃ)ৰ সৈতে সম্পৰ্ক ছেদ কৰি দিয়া, কাৰণ হত্যাৰ আন এটা মশ্রিন অৰ্থ সম্পৰ্ক বিচ্ছেদকও সুচায় আৰু সম্প্ৰদায়ৰ পৰা বহিষ্কাৰ কৰাকও বুজায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে য়ে কৈছে যে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত চাহাবা সকলৰ মাজত খিলাফত সম্পৰ্কে মতানৈক্য ঘটিছিল। আনছাৰ সকলৰ ধাৰণা আছিল যে খিলাফতৰ অধিকাৰ হল আমাৰ। বণু হাশিম কবিলায় ধাৰণা পুহিছিল যে খিলাফত হল আমাৰ হক মুহাজেৰিণ সকলে বিচাৰিছিল যে কুৰাইছ সকলৰ ফালৰ পৰা খলিফা হোৱা উচিত। কিন্তু তেওঁলোকে কোনো ব্যাক্তিক আগবঢ়াই দিয়া নাছিল বৰং সিদ্ধান্ত নিৰ্বাচনৰ ওপৰত এৰি দিব বিচাৰিছিল। যেতিয়া এওঁলোকে এই ধাৰণা ব্যাক্ত কৰিছিল তেতিয়া আনছাৰ আৰু বণু হাশিমৰ লোক সকলে এওঁলোকৰ লগত একমত হৈছিল। কিন্তু একমাত্ৰ এজন চাহাবী এই বিষয়ে সন্মত হোৱা নাছিল। এইজনেই আছিল সেই আনছাৰী চাহাবী যিজনক আনছাৰ সকলে নিজৰ মাজৰ পৰা খলিফা বনাব বিচাৰিছিল। তেখেত (ৰাঃ)য়ে কৈছিল যে মই হজৰত আবু বক্কৰৰ বয়াত কৰিবলৈ সাজু নহয়। হজৰত উমৰ (ৰাঃ)ৰ এই বিষয়ে এফাঁকি বাক্যৰ উল্লেখ আছে যে তেখেত (ৰাঃ)য়ে কৈছিল “উকতুলুছ্ছঈদু” অৰ্থ্যাৎ ছঈদক হত্যা কৰা। কিন্তু ছঈদক তেখেতে হত্যা কৰিছিল নে অইন কোনোৱাই হত্যা কৰিছিল। কিছুমান ভাষাবিদে লিখিছে যে হজৰত উমৰ (ৰাঃ)ৰ এই কথাৰ অৰ্থ কেৱল এয়াই আছিল যে হজৰত ছঈদ (ৰাঃ)ৰ সৈতে সম্পৰ্ক ছেদ কৰি দিয়া, কাৰণ হত্যাৰ আন এটা মশ্রিন অৰ্থ সম্পৰ্ক বিচ্ছেদকও সুচায় আৰু সম্প্ৰদায়ৰ পৰা বহিষ্কাৰ কৰাকও বুজায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত ছঈদ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কাললৈকে জীয়াই আছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালতেই হজৰত ছঈদ বিন আবাদাহ (ৰাঃ) শ্বাম দেশত মৃত্যু হৈছিল। এখেত (ৰাঃ)ক কোনেওঁ হত্যা কৰা নাছিল। যদি হত্যাৰ অৰ্থে প্ৰকৃতাৰ্থে কাৰোবাক নিহত কৰাই হলহেঁতেন তেন্তে হজৰত উমৰ (ৰাঃ) যিজন বহুত ৰাগান্বিত লোক আছিল নিজেই কিয় তাক হত্যা কৰি দিয়া নাই।সপোনতও যদি কাৰোবাক হত্যা হোৱা দেখিবলৈ পোৱা যায় তেন্তে তাৰ অৰ্থ সম্পৰ্ক বিচ্ছেদ অথবা বয়কটও হব পাৰে। মুঠতে হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে মোৰ বন্ধু এজনে বৰ্ণনা কৰিছে যে এজন ব্যাক্তিয়ে এই খোতবাৰ পিছত কয় যে হজৰত ছঈদে সম্ভৱত বয়াত কৰা নাছিল কিন্তু পৰামৰ্শ সভাত তেখেতক নিশ্চয় চামিল কৰি লোৱা হৈছিল। হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে -সেই ব্যাক্তিজনে যি কথাখিনি কৈছে, তাৰ অৰ্থ এয়াও হব পাৰে যে হয়তো মোৰ কথাৰ মূলভাৰ নাকচ কৰিছে অথবা এয়া যে এনেকুৱা কোনো ঘটনা সংগঠিত হোৱা নাছিল অথবা খিলাফতৰ বয়াত নকৰাটো কোনো অপৰাধ নহয়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে - চাহাবা সকলৰ অৱস্থা সম্পৰ্কে ইছলামী ইতিহাসত তিনিখন কিতাপ বিখ্যাত। তেহজিবুল, তেহজিব, আচাক আৰু আচদুল পাৰাহ। এই তিনিখন কিতাপৰ প্ৰত্যেকখনতেই লিখা আছে যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে বাকী চাহাবা সকলক এৰি স্বামলৈ গুচি গৈছিল আৰু তাতেই মৃত্যুবৰণ কৰিছিল। তেখেত (ৰাঃ)য়ে কৈছে যে- কথা হল এয়া যে চাহাবা সকলৰ মাজত প্ৰায় ষাঠি সত্তৰজন চাহাবাৰ নাম ছঈদ। ইয়াৰে এজন আছিল

ছাআদ বিন আবি উকাচ, যিজন দহজন সুসংবাদ প্ৰাপ্ত চাহাবাৰ এজন আছিল। অনমান হয় যে উক্ত ব্যাক্তিজনে স্বল্প জ্ঞানেৰে ছাআদ শব্দ শুনি এয়া বুজি পোৱা নাই যে এই ছাআদ এজন আৰু সেই ছহঁদ বেলেগ এজন। ক্ষণিকতেই মোৰ খোতবাৰ ওপৰত মন্তব্য আগবঢ়াইছে। কিন্তু এনেকুৰা কথায় মানৱী জ্ঞান বৃদ্ধি নকৰে বৰং মুৰ্খতাহে প্ৰকাশ কৰে।

আকৌ তেখেত (ৰাঃ)য়ে কৈছে যে খিলাফত এনেকুৰা এটা বস্তু যৰ পৰা পৃথক হৈ কোৱাটোৱে কোনো মানুহকেই সন্মানৰ অধিকাৰী নবনায়। হজৰত খলিফাতুল মছিহ প্ৰথম (ৰাঃ)য়ে কৈছে যে তোমালোকে জানানে প্ৰথম খলিফাৰ শত্ৰু কোনে আছিল ? আকৌ নিজেই কৈছে যে কোৰ-আন কৰিম পঢ়ি চোৱা, তোমালোকে জানিব পাৰিবা যে তেখেতৰ শত্ৰু আছিল চয়তান ইয়াৰ পিছত তেখেত (আঃ)য়ে কৈছে যে মইও খলিফা আৰু যিজনে মোৰ শত্ৰু সিত্ত চয়তান। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে - ইয়াত কোনো সন্দেহ নাই যে খলিফা আদিষ্ঠ নহয় অথবা খলিফা মামুৰ হোৱাৰ প্ৰয়োজন নাই। হজৰত আদম (আঃ)ইলহাম মামুৰ প্ৰাপ্ত আছিল খলিফাও আছিল। হজৰতব মছিহ মাওউদ (আঃ)মামুৰও আছিল আৰু খলিফাও আছিল। যেনেকৈ প্ৰত্যেকজন ব্যাক্তিয়ে এক হিচাপে খলিফা তেনেকৈ আম্বিয়াও খলিফা হয়। কিন্তু এক ধৰণৰ খলিফা আছে যিয়ে কেতিয়াও মামুৰ নহয়। যদিও আনুগত্যৰ বিৰিখত তেওঁৰ আৰু আম্বিয়াৰ মাজত কোনো পাৰ্থক্য নহয়। আনুগত্য যেনেকৈ নবীৰ বাবে প্ৰয়োজনীয় তেনেকৈ খলিফাৰ বাবেও প্ৰয়োজনীয় হয়। এই প্ৰকাৰৰ দুয়োখলিফাৰেই এই কাৰণেই আনুগত্য কৰা হয় যে তেওঁলোক আহি ইলাহি আৰু সকলো নিৰাময়ৰ কেন্দ্ৰবিন্দু। অৰ্থ্যাৎ যি অহি নবীৰ ওপৰত অৱতীৰ্ণ হয় সেয়া জমা আৰু পৰ্যালোচনা কৰা আৰু আৰু যি নিজাম নবীয়ে প্ৰতিষ্ঠা কৰি যায় সেয়া পৰিচালনা কৰোঁতা বা কেন্দ্ৰবিন্দু হল খলিফা। সেয়ে ওয়াকফে আৰু বিজ্ঞ লোক সকলে কয় যে আম্বিয়া সকলে মহান পবিত্ৰতা,পৰহেজগাৰী অৰ্জন কৰোঁতা হৈ থাকে আৰু খলিফা সকলে অৰ্জন কৰে নিম্নতৰ পবিত্ৰতা, পৰহেজগাৰী।

হজৰত খলিফাতুল মছিহ প্ৰথম (ৰাঃ)য়ে কৈছে যে তোমালোকে মোৰ কোনো ব্যাক্তিগত কাৰ্যত ক্ৰটি উলিয়াই আনুগত্যৰ বেহুৰ বাহিৰ ওলাব নোৱাৰা, যি খোদা তায়ালা তোমালোকৰ ওপৰত ন্যাস্ত কৰিছে। কাৰণ যি কামৰ নিমিত্তে মই থিয় হৈছো, সেই বিষয়টো অন্য বিষয় আৰু সেয়া হল নিজামৰ ঐক্য। সেয়ে মোৰ আনুগত্য কৰাটো প্ৰয়োজনীয় আৰু বাধ্যতামুলক। উল্লেখ কৰিছে যে যত আম্বিয়া সকলৰ আমল খোদা তায়ালাৰ আবেষ্টনীত নিৰাপদ থাকে তাৰ লগতে খলিফা সকলেও এই ছুন্নতে খোদা তায়ালা জাৰি থাকে যে তেওঁলোকৰও সকলো আমল খোদা তায়ালাৰ হিফাজতও, যি নিজামে ছিলছিলাৰ উন্নতি কল্পে বহিঃপ্ৰকাশ ঘটিব ।সেয়ে তেওঁ কেতিয়াওঁ এনে ভূল সংগঠিত নকৰে যে যিটোৱে জমাতৰ ক্ষতি সাধন কৰিব আৰু যদি কৰেও, সেয়া অৱধাৰিত হব নোৱাৰে। যদি কোনো ভূল সংগঠিত হৈ যায় তেন্তে খোদা তায়ালা তাৰ সংশোধনৰ নিজেই জিম্বাদাৰ হব। গতিকে নিজাম সম্পৰ্কে খলিফাৰ কাৰ্য্য সম্পাদনৰ জিম্বাদাৰ খলিফা নহয় বৰং খোদা তায়ালা জিম্বাদাৰ। গতিকে কব পৰা যায় যে আল্লাহ তায়ালা নিজেই খলিফা নিযুক্ত কৰে। আকৌ কৈছে যে - যদি আল্লাহ তায়ালা বিচাৰে যে খলিফা সকলে কেতিয়াবা কোনো এনেকুৰা কথা কয় যে সেই কথায় মুছলমান সকলৰ বাবে দেখাত যেন লাগে ক্ষতিকাৰক হৈ আছে। তেতিয়া আল্লাহ তায়ালা অতি গোপনে সুক্ষ্ম ভাৱে উপায় উলিৱাই সেই সেই ভূলৰ কুফল সলাই দিয়ে আৰু জমাত পতনৰ সলনি উন্নতিৰ ফালে আগবাঢ়ি যায়। কিন্তু আম্বিয়া সকলে এই দুয়োটা বস্তুয়েই লাভ কৰে। অৰ্থ্যাৎ উচ্চতৰ পবিত্ৰতা, পৰহেজগাৰী আৰু নিম্ন স্তৰৰ পবিত্ৰতা, পৰহেজগাৰী। তেওঁ হয় তনফিজ আৰু নিজামৰ কেন্দ্ৰবিন্দু। কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে প্ৰত্যোক খলিফাৰ বাবে জৰুৰী হয় যে সি পবিত্ৰতা আৰু আমলৰ কেন্দ্ৰবিন্দু নহয়। হয় ! এয়া হব পাৰে যে পবিত্ৰ আমলৰ সৈতে সম্পৰ্কিত কিছুমান কাৰ্য্যত তেওঁ বেলেগ আউলিয়াতকৈ কম বা নিম্ন মানৰ হয়। গতিকে এনেকুৰা খলিফা হব পাৰে যিয়ে পবিত্ৰ কাৰ্য্য আৰু নিজামে ছিলছিলাৰ আচল কেন্দ্ৰবিন্দু। আনহাতে তাত এনেকুৰা খলিফাও হব পাৰে, যিজন অইন খলিফাতকৈ পবিত্ৰতা আৰু জিম্বাদাৰীত লঘু হব পাৰে কিন্তু পৰিচালনাৰ দক্ষতা পাৰ্গততালি আনতকৈ আগবঢ়া বা বেছি হব পাৰে। কিন্তু সকলো অৱস্থাতেই প্ৰত্যেকৰ বাবেই তাৰ আনুগত্য কৰা ফৰজ। গতিকে নিজাম একধৰণে সাময়িক হলেও জমাতি ৰাজনীতিৰ সৈতে হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এতিয়া হয়তো চমকি উঠিব যে জমাতি ৰাজনীতি আকৌনো কি ? অভিধানত ইয়াৰ অৰ্থ হল -নিজাম পৰিচালনাৰ এক পদ্ধতি। পঙ্কিলতা দুৰীকৰনাৰ্থে নিজাম প্ৰতিষ্ঠা কৰা, প্ৰজ্ঞা আৰু বুদ্ধিমত্তাৰে কাম পৰিচালনা কৰা, আন্তৰ্জাতিক বিষয় সমুহত সঠিক ভাৱে ভূমিকা পালনৰ দক্ষতা থকা। এয়াই হল আচল শাসন নীতি। হজৰত মুচলেহ

মাওউদ (ৰাঃ)য়ে এই শব্দটো সঠিক ভাৱে ব্যাৱহাৰ কৰিছে আৰু কৈছে যে যিহেতু নিজাম একধৰণে সাময়িক হলেও জমাতি ৰাজনীতিৰ সৈতে সম্পৰ্কিত সেয়ে খলিফা সম্পৰ্কে প্ৰধান বিষয়টো এয়া দেখিবলৈ পোৱা যায় যে তেওঁ নিজামৰ বিভাগটো সৰ্বোচ্চ স্থানত প্ৰতিষ্ঠিত ৰাখোঁতা আৰু দ্বীনৰ হুকুম আহকাম আৰু তাৰ বিষয় বস্তুৰ ওপৰত চোকা দৃষ্টি ৰাখোঁতা। গতিকে আল্লাহ তায়ালা কোৰ-আন মজিদত খিলাফত সম্পৰ্কে কৈছে যে - ওয়ালা ইউমাক্কি নান্না লাহুম দ্বিনাহুমুল্লাজিৰ তজালাহুম। অৰ্থ্যাৎ খোদা সিহঁতৰ দ্বীনক সুপ্ৰতিষ্ঠিত কৰিব আৰু সিহঁতক পৃথিবীত বিজয় দান কৰিব। গতিকে খলিফা সকলে যি দ্বীন আগবঢ়ায় সেয়া খোদা তায়ালাৰ হিফাজত (বেষ্টনীত) আহি যায়। কিন্তু এই হিফাজত হয় সুক্ষ্ম। তেখেত (ৰাঃ)য়ে কৈছে যে হঠাতেই তেওঁ এটা ভূল কৰিব পাৰে আৰু খলিফা সকলৰ ভিতৰত (এজনৰ পিছত আন জনৰ মাজত) মতৰ বিভাজন হবও পাৰে কিন্তু সেয়া বৰ সাধাৰণ বস্তু এটাহে হৈ থাকে। নীতিগত বিষয়ত তেখেত সকলৰ মাজত কেতিয়াও মতানৈক্য নঘটে। গতিকে এয়া মন্তব্য কৰাটো যে কোনো ব্যাক্তিয়ে বয়াত নকৰা হত্বেও সেই স্থানত থাকিব পাৰে যি স্থানত বয়াত কৰোঁতাজন থাকে। প্ৰকৃততে ইয়াত এয়া প্ৰকাশ পায় যে এনেকুৱা ব্যাক্তিয়ে একো বুজিয়ে নাপায় যে বয়াত আৰু নিজাম কি বস্তু। পৰামৰ্শ সম্পৰ্মোৰ অৰ্ক এয়া মনত ৰখা উচিত হব যে এজন বিশেষজ্ঞ আৰু দক্ষ ব্যাক্তি, হয়তো সি অমুছলিম হব পাৰে,তাৰ পৰামৰ্শ গ্ৰহন কৰিব পৰা যায়। হজৰত মছিহ মাওউদ (আইঃ)য়ে এটা গোচৰত এজন ইংৰাজ উকিল ধৰিছিল কিন্তু তাৰ উদ্দেশ্য এয়া নাছিল যে তেখেত (আইঃ)য়ে নবুয়তৰ বিষয়ে উকিল জনৰ পৰা পৰামৰ্শ লব। তেখেত (আইঃ)য়ে বৰ্ণনা কৰিছে যে মোৰ অসুখ হোৱাত মই ইংৰাজ ডক্টৰৰ পৰামৰ্শ লৈছো সেই বুলি অৰ্থ এয়া নহয় যে মই খিলাফত সম্পৰ্কে তাৰ (ডক্টৰৰ)পৰামৰ্শ লৈছো নাইবা তাৰ পৰামৰ্শ লওঁ নাইবা এয়া যে মই তাক সেই স্থানত বুলি ভাৱো, যি স্থানত হজৰত মছিহ মাওউদ (আঃ)ৰ চাহাবা সকলে আছে। গতিকে আমাৰ বাবে ফৰজ এয়া যে ছঈদ বিন আবাদাহৰ পৰা পাৰ্থিব বিষয়ত পৰামৰ্শ লোৱাটো প্ৰমান সাব্যস্ত হলেও এয়া মন্তব্য কৰিব নোৱাৰি যে তেখেতে পৰামৰ্শ প্ৰদানত চামিল আছিল। তেখেত (ৰাঃ)ৰ বিষয়ে এনে কোনো শুদ্ধ (ছহি) ৰোৱায়েত নাই যে যত উল্লেখ আছে যে তেওঁ পৰামৰ্শ সভাত চামিল থাকিছিল। বৰং তেওঁ মদিনা এৰি স্বামৰ ফালে গুচি গৈছিল। তেখেতৰ মৃত্যু সম্পৰ্কে চাহাবা সকলে কৈছে যে ফিৰিস্তা অথবা জিনে তেখেতক মাৰি পেলাইছে। তেখেত সকলৰ মতে হজৰত ছঈদৰ মৃত্যু এনেকুৱা ভাৱে হৈছে যে সম্ভৱত খোদা তায়ালা তেখেতক নিজৰ বিশেষ কৰ্ম পদ্ধতিৰ দ্বাৰা উঠাই লৈছে। যাতে তেওঁ বিৰোধীতাৰ কোনো কাৰক নহয়। কাৰণ তেখেত বদৰি চাহাবী সকলৰ এনে এজন আছিল। তেখেতৰ দ্বাৰা যেন এনে কোনো ঘটনা নঘটে যে যাৰ দ্বাৰা তেখেতৰ মৰ্যদা হানি নহয়। কিন্তু যিয়েই নহওক মুঠতে তেখেতে পৃথক হৈ গৈছিল।

এই ৰোৱায়েতে সাক্ষ্য বহন কৰে যে চাহাবা সকলে তেখেতৰ ওপৰত সন্তুষ্ট নাছিল, নহলে কিয় কৈছে যে ফিৰিস্তা অথবা জিনে তেখেতক মাৰি পেলাইছে। গতিকে এই ধাৰণা যে খিলাফতৰ বয়াত নকৰাকৈ কোনোবাই ইছলামী নিজামত নিজৰ স্থান বা মৰ্যদা অটুট ৰাখিব পাৰে। এয়া ঘটনা আৰু ইছলামী শিক্ষাৰ পৰিপন্থী। যি সকলে এই ধৰণৰ ধাৰণা হৃদয়ত ৰাখে, মই কওঁ যে সেই সকলে বয়াতৰ মূলভাৱ মুঠেই বুজি নাপায়। হজৰত ছাআদ বিন আবাদাহ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত স্বাম দেশৰ হুৰান অঞ্চলত মৃত্যুবৰণ কৰিছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফতৰ আসনত বহাৰ ২ বছৰ ৬ মাহ পিছত এখেত (ৰাঃ)ৰ মৃত্যু হৈছিল। হজৰত ছাআদ বিন আবাদা (ৰাঃ)য়ে বহি মুত্ৰ ত্যাগৰ সময়ত তেখেতক হত্যা হৈছিল। দামাস্কাচৰ ওচৰত পৰিচিত এখন গাওঁ মুনিহাত এখেত (ৰাঃ)ৰ কৱৰ অৱস্থিত আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই দুজন মৰহুমিনৰ বিষয়ে উল্লেখ কৰিম আৰু নমাজে জুমাৰ পিছত তেখেত সকলৰ নমাজে জানাজা গায়েব পঢ়া হব। ইনশা আল্লাহ। ইয়াৰে প্ৰথম জানাজা হল মকৰম ছৈয়েদ মহম্মদ ছৰোৰ চাহাবৰ জানাজা। এখেতে সদৰ আঞ্জুমান আহমদীয়া কাদিয়ানৰ সদস্য আছিল। ২০২০ চনৰ ৮ জানুৱাৰীত ৮৫ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। উৰিষ্যাৰ মৌজা ছোংৰাৰ বাসিন্দা এক মুখলিচ আহমদী পৰিয়ালৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। এখেতৰ আজু নানা হজৰত ছৈয়দ আব্দুৰ ৰহিম চাহাব হজৰত মছিহ মাওউদ (আঃ)ৰ চাহাবী আছিল আৰু নানা মকৰম মৌলবী আব্দুল আলিম চাহাব মৰহুম এজন প্ৰখ্যাত আলিমে দ্বীন আছিল আৰু এখেতৰ কবিত্ব জ্ঞানও আছিল।

দ্বিতীয় জানাজা হল মহতৰমা শতকত গুহৰ চাহিবাৰ জানাজা তাই ডক্টৰ লতিফ আহমদ কুৰাইছ চাহাব (ৰাবোৱাৰ) পত্নী

আছিল। মৰহুমাৰ দেউতাকৰ নাম আছিল মৌলানা আব্দুল মালিক খান চাহাব। ২০২০ চনৰ ৫ জানুৱাৰীত ৭৭ বছৰ বয়সত ৰাবোৱাত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। আল্লাহ্‌ তায়ালা দুয়ো মৰহুমিনৰ মৰ্যাদা উন্নতি কৰক। এখেত সকলৰ সতি সন্তানক এখেত সকলৰ অনুসৰণ কৰি চলাৰ তৌফিক দান কৰক। আল্লাহ্‌ তায়ালা এওঁলোকৰ সন্তান সকলক, নেক বনাওঁক আৰু খিলাফতৰ সৈতে প্ৰগাঢ় সম্পৰ্ক ৰখাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 17 JAN. 2019**

**To** **(BOOK POST PARINTED MATTER)**

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**